بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**একাগ্রতা আৰু বিশ্বাসৰ ফকিৰ কিছুমান বদৰি চাহাবাৰ কল্যাণময় জীৱন সম্পৰ্কে বৰ্ণনা আৰু বিৰোধীতাপূৰ্ণ বাতাবৰণৰ মাজত দিনাতিপাত কৰা পাকিস্তানী, বৰকিনা ফাছোৰ আৰু আলজেৰিয়াৰ আহমদী ভাই সকলৰ বাবে দোৱা আৰু ছাদকা জাৰি কৰাৰ বাবে আহ্বান।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৪ ফেব্ৰুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় বদৰি চাহাবা সকলৰ স্মৃতিচাৰণ মূলক বৰ্ণনা আগতে কৰা হৈছে যদিও ইয়াৰে আৰু কিছুমান কথা বৰ্ণনা কৰিবলৈ বাকী ৰৈ আছিল। তাকেই আজিৰ জুমাৰ খোতবাত বৰ্ণনা কৰা হ'ব। ইয়াৰে পৰা বদৰি চাহাবা সকলৰ বিষয়ে চলা বৰ্ণনাৰ অন্ত পৰিব।

হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)ৰ বিষয়ে লিখা আছে যে এখেত (ৰাঃ)ৰ দেউতাকৰ নাম ৰবিয়া বিন কাআব বিন মালিক বিন ৰবিয়া। এখেত (ৰাঃ)ৰ পৰা কিছুমান ৰিৱায়ত লিপিবদ্ধ আছে। আব্দুল্লাহ বিন আমৰ ৰবিয়া (ৰাঃ)য়ে নিজৰ মাক হজৰত উম্মে আব্দুল্লাহ লায়লা বিনতে আবু হাশিমা (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে যে তাই বৰ্ণনা কৰিছে যে আমি হাবশা অভিমুখে যাত্ৰা কৰিবলৈ লৈছিলো এনেতে আমৰ বিন ৰবিয়া (ৰাঃ)য়ে কিবা কামত কৰবালৈ গৈছিল আৰু হজৰত উমৰ (ৰাঃ)য়ে তাতে আহি উপস্থিত হৈছিল (তেতিয়া হজৰত উমৰ ৰাঃ মুশৰিক আছিল) তেখেতে আমাক সুধিছিল যে আপোনালোকে কলৈ যাবলৈ ওলাইছে? যাতে আল্লাহ তা'লা আমাৰ বাবে সকাহৰ জন্ম দিয়ে, তোমালোকে আমাক বৰ কষ্ট দি আছা আৰু আমাৰ ওপৰত জুলুম কৰি আছা। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে আল্লাহ তোমালোকক ৰক্ষা কৰোঁতা হওঁক। তাই কৈছে যে মই সেইদিনাখন হজৰত উমৰ (ৰাঃ)ৰ মাতত বৰ অনুশোচনা দেখিবলৈ পাইছিলো, যি আগতে কেতিয়াও তেনেকুৱা দেখা নাছিলো। আমি তাৰ পৰা হিজৰত কৰাত হজৰত উমৰ (ৰাঃ)য়ে বৰ চিন্তান্বিত হৈ পৰিছিল। হজৰত আমৰ (ৰাঃ)য়ে যেতিয়া ওভতি আহিছিল তেতিয়া মই তেখেতক কৈছিলো আপুনি হজৰত উমৰ (ৰাঃ)ৰ মনৰ দুঃখ অনুমান কৰিব পাৰিছেনে? হজৰত আমৰ (ৰাঃ)য়ে উত্তৰ দিছিল কিয়! তুমি হজৰত উমৰ (ৰাঃ)য়ে মুছলমান হোৱাটো বাঞ্চা কৰা নেকি? তেখেতে আৰু কৈছিল যে খাত্তাবৰ গাধে মুছলমান হ'ব পাৰে কিন্তু সেই ব্যক্তি জনে

ইছলাম গ্ৰহণ কৰিব নোৱাৰে। হজৰত লায়লা (ৰাঃ)য়ে কয় যে হজৰত আমৰ (ৰাঃ)য়ে নিৰাশ হৈ পৰাৰ কাৰণে এনেদৰে কথা কৈছিল আৰু এই নিৰাশা হজৰত উমৰ (ৰাঃ)ৰ ইছলাম বিৰোধীতা আৰু কঠোৰতাৰ কাৰণে এখেত (ৰাঃ)ৰ মনত ঠাই লৈছিল।

হজৰত আব্দুল্লাহ বিন আমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেতৰ দেউতাক হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)য়ে কৈছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে আমাক কোনো অভিযানলৈ পঠিয়াইছিল তেতিয়া আমাৰ হাতত একমাত্ৰ এটা খেজুৰৰ মোনা লোৱা কৰিছিলোঁ। সৈন্য বাহিনীৰ আমিৰ চাহাবে আমাৰ মাজত সেই খেজুৰ এমুঠি এমুঠিকৈ বিতৰণ কৰিছিল। লাহে লাহে সেয়া শেষ হ'বলৈ লোৱাত শেষত বৈ যোৱা কেইজনক এটা এটাকৈ খেজুৰ দিছিল। আব্দুল্লাহ কৈছে যে মই দেউতাকক সুধিছিলো যে এটা এটা খেজুৰত কিনো ভোক পলুৱাইছিল ? তেখেত (ৰাঃ)য়ে উত্তৰত কৈছিল যে তেনেকুৱা বাবে নকৰা কাৰণ এটা খেজুৰৰ গুৰুত্ব আমি তেতিয়াহে অনুভৱ কৰিব পাৰিছিলোঁ যেতিয়া সেয়াও আমাৰ ওচৰত নথকা হৈছিল।

হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত যেতিয়া খয়বৰ অঞ্চলৰ পৰা ইহুদী সকলক খেদি পঠিয়াইছিল আৰু কাবা অঞ্চলৰ জমিন যি সকল লোকৰ মাজত ভগাই দিছিল তেওঁলোকৰ মাজত হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)য়েও আছিল। হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া জাবিয়া লৈ গৈছিল তেতিয়া হজৰত আমৰ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ লগত গৈছিল। আন এটা ৰিৱায়ত অনুযায়ী হজৰত উমৰ (ৰাঃ)ৰ পতাকা হজৰত আমৰ (ৰাঃ)ৰ ওচৰত আছিল। হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)ৰ মৃত্যু সম্পৰ্কে মতানৈক্য পোৱা যায়; কিন্তু আল্লামা ইবনে আছাকৰৰ মতে ৩২ হিজৰীৰ বৰ্ণনাটো বেছি শুদ্ধ বুলি অনুমান হয়। তেখেত (ৰাঃ)ৰ মৃত্যু সম্পৰ্কে উল্লেখ আছে যে হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ পিছত হজৰত আমৰ (ৰাঃ)য়ে নিজৰ ঘৰতে থকা কৰিছিল আৰু তাৰে পৰাই তেখেত (ৰাঃ)ৰ জানাজা উলিয়াই অনা হৈছিল।

হজৰত আব্দুল্লাহ বিন আমৰ (ৰাঃ)য়ে নিজৰ পিতৃ আমৰ (ৰাঃ)ৰ পৰা ৰিৱায়ত কৰিছে যে ৰছুলুল্লাহ (ছাঃ)ৰ সময় ছোৱাত এজন ব্যক্তিয়ে বনু কুৰাইজাৰ এজনী মহিলাক এযোৰ জোতা মোহাৰণা নিৰ্ধাৰণ কৰি বিয়া কৰোৱাইছিল। আঁহজৰত (ছাঃ)য়ে সেই বিয়া বৈধ হোৱা বুলি স্বীকৃতি প্ৰদান কৰিছিল। ধন এটা ৰিৱায়তত এখেত (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে তেখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক উটৰ পিঠিত বহি ৰাতিৰ বেলিকা নফল নামাজ পঢ়োতে দেখিছে আৰু নামাজ পঢ়াৰ সময়ত তেখেত (ছাঃ)ৰ মূখ উটে আগুৱাই যোৱাৰ ফালে কৰি ৰাখিছিল।

হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে এদিন এন্ধাৰ ৰাতিত ভ্ৰমণৰত আছিলো যেতিয়া এঠাইত উটৰ পিঠিৰ পৰা নামিছিলো তেতিয়া এজন ব্যক্তিয়ে শিলগুটি এঠাইত জমা কৰি নামাজ পঢ়াৰ ঠাই বনায় আৰু তাত নামাজ পঢ়ো। ৰাতিপুৱা গম পাইছিলো যে নামাজৰ সময়ত আমাৰ মূখ কিবলাৰ ফালে নাছিল। আমি ৰছুলুল্লাহ (ছাঃ)ক সুধিছিলো আৰু তেতিয়াই এই আয়াত নাযিল হৈছিল **ওৱা লিল্লাহিল মাশ্বৰিকু ওৱাল মাগৰিবু ফাআয়নামা তুৱাল্লু ফাছাম্মা ওৱাজহুল্লাহি** আৰু পূব আল্লাহ তা'লাৰেই আৰু পশ্চিমও, গতিকে যি ফালেই তোমালোকে মূখ কৰিবা সেই ফালেই খোদা তা'লাৰ শক্তি নিশ্চয় পাবা। অৰ্থাৎ ভুলতে যদি এনেকুৱা হৈ যায় তেন্তে একো ক্ষতি নাই। হুজুৰ আনোৱাৰ (আইঃ)য়ে বৰ্ণনা কৰিছে যে এয়াও হ'ব পাৰে যে আঁহজৰত (ছাঃ)য়ে বিষয়টো বুজাবলৈ এই আয়াত পাঠ কৰি শুনাইছিল। জৰুৰী নহয় যে সেই সময়তেই এই আয়াত নাযিল হৈছিল।

হজৰত আমৰ বিন ৰবিয়া (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে যিজনে মোলৈ এবাৰ দৰুদ

প্ৰেৰণ কৰে আল্লাহ্ তাৰ ওপৰত দহ্ বাৰ শান্তি প্ৰেৰণ কৰে। গতিকে এতিয়া তোমালোকৰ ইচ্ছা তোমালোকে কমকৈও দৰূদ প্ৰেৰণ কৰিব পাৰা নাইবা বেছিকৈ কৰিব পাৰা। আন এটা ৰিৱায়তত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে যি ব্যক্তিয়ে মোলৈ শান্তি প্ৰদানৰ দোৱা কৰে আৰু যিমান সময় দোৱাত ৰত থাকে। ফিৰিস্তা সকলে সিমান সময় তাৰ ওপৰত শান্তি প্ৰদানৰ দোৱা কৰি থাকে। গতিকে এয়া এজন ব্যক্তিৰ ইচ্ছাধীন, তেওঁ বিচাৰিলে বেছি বেছি এই দোৱা কৰিব পাৰে অথবা বিচাৰিলে কমকৈও কৰিব পাৰে।

ইয়াৰ পিছত হজৰত হৰাম বিন মুলহান (ৰাঃ)ৰ বিষয়ে বৰ্ণনাবলৈ আছে। হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে চাহাবা সকলৰ কোৰবাণীৰ আগ্ৰহ সম্পৰ্কে বৰ্ণনা কৰোঁতে কৈছে যে আমি ইতিহাস অধ্যয়ন কৰিলে গম পাম যে চাহাবা সকলে যুদ্ধ বিগ্ৰহলৈ কেনেদৰে গৈছিল। তেওঁলোকে এয়াই অনুমান কৰি গৈছিল যে যুদ্ধত শ্বহীদ হোৱাটো তেওঁলোকৰ বাবে এটা সৌভাগ্য আৰু আনন্দৰ বিষয়। গতিকে চাহাবা সকলৰ এনেকুৱা বহুতো ইতিহাসৰ পাত লুটিয়াই চালে দেখিবলৈ পোৱা যায় যে সিহঁতে খোদা তা'লাৰ বাটত মৃত্যুক সাৱটি লোৱাটো নিজৰ বাবে অনাবিল শান্তি অনুভৱ কৰিছিল। ইয়াৰ উদাহৰণ হ'ল সেই কোৰাণে হাফিজ সকল যিসকলক ৰছুলে কৰিম (ছাঃ)য়ে আৰবৰ এটা কবিলাৰ লোকলৈ তবলিগৰ নিমিত্তে পঠিয়াইছিল, সিহঁতৰ মাজত হৰাম বিন মুলহান (ৰাঃ)য়ে ইছলামৰ বাৰ্তালৈ আমৰ কবিলাৰ চৰ্দাৰ আমৰ বিন তফিলৰ ওচৰত গৈছিল তেতিয়া বাকী চাহাবা সকলে পিছত ৰৈ আছিল। প্ৰথম অৱস্থাত আমৰ বিন তফিল আৰু তাৰ লগৰীয়া সকলে কপটীয়া বুদ্ধিৰে এখেত (ৰাঃ)ক আদৰি লৈছিল। কিন্তু যেতিয়া হৰাম (ৰাঃ)য়ে নিঃসন্দেহ বহি ইছলামৰ বিষয়ে সিহঁতক ক'বলৈ আৰম্ভ কৰিছিল। এনেতে সেই মুনাফিক সকলৰ কিছুমানে এজন কুলঙ্গাৰ নীচ ঘৃণ্য লোকক ইঙ্গিত দিয়ে আৰু তেওঁ হজৰত হৰাম বিন মুলহান (ৰাঃ)ক পিছৰ পৰা বল্লমেৰে আঘাত হানি দিয়ে। আঘাত হানোতেই তেখেত (ৰাঃ)য়ে মাটিত বাগৰি পৰে আৰু মুখেৰে এই শব্দ বিলাক ওলায় **আল্লাহু আকবৰ ফুজতু ওৱা ৰাববিল কাবা** অৰ্থাৎ মোক কাবাৰা সৃষ্টিকৰ্তাৰ শপত মই মুক্তি লাভ কৰিছোঁ। ইয়াৰ পিছত সেই মুনাফিক সকলে গৈ বাকী চাহাবা সকলক ঘেৰাও কৰে আৰু তেখেত সকলৰ ওপৰত আক্ৰমণ চলায়। এই ঘটনাৰ বৰ্ণনাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুক্ত কৰি দিয়া গোলাম আমৰ বিন ফহিৰা (ৰাঃ)ৰ বিষয়ে উল্লেখ আছে। তাতে এখেত (ৰাঃ)ৰ হত্যাকাৰী, যিজন পিছলৈ মুছলমান হৈছিল, তেওঁ নিজে মুছলমান হোৱাৰ কাৰণ বৰ্ণনা কৰোঁতে কৈছে- যেতিয়া মই আমৰ বিন ফহিৰাক শ্বহীদ কৰিছিলোঁ তেতিয়া তেওঁ কৈছিল **ফুজতু ওৱাল্লাহে** অৰ্থাৎ খোদাৰ শপত, মই মোৰ উদ্দেশ্যত সফল হৈছো। এই ঘটনাবোৰে সাক্ষী দিয়ে যে চাহাবা সকলৰ ওচৰত নিজৰ মৃত্যু দুখৰ সলনি এটা আনন্দৰ কাৰক আছিল।

ইয়াৰ পছিত হজৰত ছাআদ বনি খওলা (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিববলৈ আছে। আমৰ বিন ছাআদ (ৰাঃ)য়ে নিজৰ পিতৃ ছাআদ বিন উকাছ (ৰাঃ)ৰ পৰা ৰিৱায়ত কৰিছে যে তেখেতে কৈছে ৰছুলুল্লাহ (ছাঃ)ৰ বিদায় হজ্বৰ সময়ত মোক দেখিবলৈ আহে। বেমাৰৰ প্ৰকোপত মোৰ মুমুৰ্ষ অৱস্থা আহি পৰিছিল। মই কৈছিলো মোৰ কষ্ট আপুনি দেখিবলৈ পাই আছে। মোৰ জীয়েকৰ বাহিৰে মোৰ কোনো উত্তৰাধিকাৰী নাই। মই প্ৰশ্ন কৰাত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে তৃতীয়াংশ ছাদকা কৰি দিয়া; আৰু কৈছিল যে উত্তৰাধিকাৰী সকলক ভাল অৱস্থাত এৰি থৈ যোৱাটো অসহায় অৱস্থাত এৰাতকৈ উত্তম। আল্লাহৰ বাটত যিয়েই তুমি খৰচ কৰিবা তাৰ ফল তুমি পাবা। ইমানেই যে এটা নিওয়ালা যদি তুমি তোমাৰ পত্নীৰ মূখত দিয়া তাৰও ফল প্ৰদান কৰা হ'ব। হজৰত ছাআদ বিন খওলা (ৰাঃ)য়ে হিজৰতৰ পিছত মক্কাতেই মৃত্যু বৰণ কৰিছিল।

ইয়াৰ পিছত হজৰত আবুল হাশিম বিন আলতেহান (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। তেখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক কৈছিল যে মই সৰ্বপ্ৰথমে আপোনাৰ বয়াত গ্ৰহণ কৰিব বিচাৰিছিলো। মই কেনেকৈ আপোনাৰ বয়াত কৰিম আঁহজৰত (ছাঃ)য়ে কৈছিল যে মোৰ বয়াত তেনেদৰে কৰা যেনেকৈ বনি ইস্ৰাইল সকলে মুছা (আঃ)ৰ বয়াত কৰিছে। এখেত (ৰাঃ)য়ে যুদ্ধ ময়দানত দুখনকৈ তৰোৱাল লোৱা কৰিছিল। সেয়ে এখেত (ৰাঃ)ক জুলছায়েফিন উপাধিৰে ভূষিত কৰা হৈছিল। চফিনৰ যুদ্ধত আবুল হাশিম বিন আলতেহান (ৰাঃ)য়ে শ্বাহাদত বৰণ কৰিছিল।

ইয়াৰ পিছত হজৰত হাশিম বিন ছাবিত (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। ইমাম ৰাজিয়ে লিখিছে যে উহুদৰ যুদ্ধৰ দিনা যি সকলে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আছিল তেওঁলোকৰ মাজত হজৰত হাশিম বিন ছাবিত (ৰাঃ)য়েও আছিল।

আন এজন চাহাবা আছিল হজৰত ছুহেল বিন হুনায়েফ (ৰাঃ)। উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ ওচৰত থকা সকলৰ ভিতৰত এখেতেও আছিল। হজৰত উমৰ বিন ছঈদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হজৰত আলি (ৰাঃ)য়ে ছুহেলৰ জানাজাৰ নামাজত পাঁচ তকবিৰ পঢ়িছিল। লোক সকলে এয়া দেখি আচৰিত হোৱাত হজৰত আলি (ৰাঃ)য়ে কৈছিল যে এইজন ছুহলে বিন হুনায়েফ হয়, যিজনে বদৰৰ যুদ্ধত অংশ লৈছিল। বদৰৰ অংশ গ্ৰহণকাৰী বদৰত যোগ নিদিয়া সকলতকৈ উত্তম। মই বিচাৰিছিলো যে তোমালোকক তাৰ শ্ৰেষ্ঠত্ব সম্পৰ্কে জনাই দিওঁ।

ইয়াৰ পিছত হজৰত জাববাৰ বিন চাখাৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰিবলৈ আছে। ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক ডেৰ শ চাহাবাৰ টা দলেৰে সৈতে বনু তেই কবিলাৰ মূৰ্তি মণ্ডপ ভাঙি পেলাবলৈ পঠিয়াইছিল। আঁহজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক ক'লা পতাকা আৰু এটা সৰু বগা পতাকা দিছিল। হজৰত আলি (ৰাঃ)য়ে পূৱাৰ দোকমোকালিতেই আলে হাতমৰ ওপৰত আক্ৰমণ চলায় আৰু সিহঁতৰ মূৰ্তি মণ্ডপ ভাঙি পেলায়। এই অভিযানত পতাকা হজৰত জাববাৰ বিন চাখাৰ (ৰাঃ)ৰ হাতত আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইমানতেই চাহাবা সকলৰ বিষয়ে কৰা বৰ্ণনাৰ অন্ত পৰিল। ইয়াৰ লগতে মই পাকিস্তানৰ আহমদী সকলৰ নিমিত্তে দোৱাৰ আবেদন জনাইছো। দোৱা কৰিম আল্লাহ তা'লা যেন সিহঁতৰ কঠিন অৱস্থাক আঁতৰাই সহজলভ্যতাৰ জন্ম দিয়ে আৰু বিচাৰ কৰোঁতা সকলক, আইন প্ৰণয়ন কৰোঁতা সকলক আৰু খোদা আৰু তাৰ ৰছুলৰ নামত জুলুম অত্যাচাৰ কৰোঁতা সকলক বিবেক দান কৰে নাইবা সিহঁতৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। আনহাতে বৰকিনা ফাছোৰ আহমদী সকলৰ বাবে দোৱা কৰিব তাতেও বৰকৈ জুলুম অত্যাচাৰ চলি আছে আৰু যিবিলাক উগ্ৰবাদী আছে,জুলুম কৰাটো পছন্দ কৰে, সিহঁতে তাকেই কৰি আছে। আল্লাহ আৰু ৰছুলৰ নামত অত্যাচাৰ চলাই আছে। ইয়াৰ পিছত আল জজায়েৰতও চৰকাৰী কাৰ্য্যাৱলী আৰু আদালত সমূহে আহমদী সকলৰ ওপৰত বিভিন্ন ধৰণৰ জুলুম অত্যাচাৰৰ বাট মুকলি ৰাখিছে। আল্লাহ তা'লা সকলোকে নিৰাপত্তাৰ আবেষ্টনীত ঠাই দিয়ক। বিশেষকৈ দোৱা আৰু ছাদকাৰ ওপৰত জোৰ দিয়ক। আল্লাহ তা'লা বিৰুদ্ধবাদী সকলৰ চয়তানীৰ পৰা ৰক্ষা কৰক।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তানত ১৯ ফেব্ৰুৱাৰীত আহমদীয়ত বিৰোধী সকলৰ গুলীত শ্বহীদ হোৱা মাননীয় মহম্মদ ৰশিদ চাহাব শ্বহীদ ইবনে চৌধুৰী বশাৰত আহমদ চাহাব, আৰু ৬ ফেব্ৰুৱাৰী ২০২৩ চনত অহা ভূমিকম্পত মৃত্যু হোৱা মাক আৰু পুতেক মাননীয় উমানি বছাম আজলাবি চাহিবা আৰু আজিজম ছালাহ আব্দুল মঈন কতিশ আৰু মামনীয় মকছুদ আহমদ মুনিব চাহাবৰ বিষয়ে চমু পৰিচয় দি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যাদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 24 FEBRUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**